Total No. of Printed Pages—7

**24E—ADAS**

# 2024

## ADVANCE ASSAMESE

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**ALLOTMENT OF MARKS**

| | |
|---|---|
| Q. No. **1** carries *1* mark each | 1×4 = 4 |
| Q. No. **2** carries *2* marks | = 2 |
| Q. No. **3** carries *4* marks | = 4 |
| Q. No. **4** carries *4* marks | = 4 |
| Q. No. **5** carries *6* marks | = 6 |
| Q. No. **6** carries *1* mark each | 1×3 = 3 |
| Q. No. **7** carries *2* marks | = 2 |
| Q. No. **8** carries *4* marks | = 4 |
| Q. No. **9** carries *6* marks | = 6 |
| Q. No. **10** carries *1* mark each | 1×4 = 4 |
| Q. No. **11** carries *2* marks | = 2 |
| Q. No. **12** carries *4* marks each | 4×2 = 8 |
| Q. No. **13** carries *6* marks | = 6 |
| Q. No. **14** carries *2* marks each | 2×3 = 6 |
| Q. No. **15** carries *4* marks | = 4 |
| Q. No. **16** carries *2* marks each | 2×3 = 6 |
| Q. No. **17** carries *4* marks | = 4 |
| Q. No. **18** carries *2* marks | = 2 |
| Q. No. **19** carries *4* marks each | 4×2 = 8 |
| Q. No. **20** carries *1* mark | = 1 |
| Q. No. **21** carries *2* marks | = 2 |
| Q. No. **22** carries *2* marks | = 2 |
| Q. No. **23** carries *4* marks | = 4 |
| Q. No. **24** carries *6* marks | = 6 |
| | Total = 100 |

১। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ (যি কোনো চাৰিটা) : ১×৪=৪

(ক) হেম সৰস্বতী কোন যুগৰ কবি ?

(খ) অসমীয়া সাহিত্যত প্ৰথম ছনেট ৰচোঁতা কবিজন কোন ?

(গ) 'পছোৱাৰ ডাক' কবিতাটোৰ ৰচক কোন ?

(ঘ) 'ৰূপৰ টিলিঙাৰ মাত' কাৰ ৰচনা ?

(ঙ) 'জিলিকনি' কাৰ কবিতা-পুথি ?

(চ) অসিজীৱী মানে কি ?

২। হেম সৰস্বতীৰ দ্বাৰা বিৰচিত দুখন কাব্যগ্ৰন্থৰ নাম লিখাঁ। ২

৩। (ক) 'প্ৰহ্লাদ চৰিত্ৰ' কবিতাংশত হৰিৰ প্ৰতি প্ৰহ্লাদে কেনেদৰে ভক্তি প্ৰকাশ কৰিছে, লিখাঁ। ৪

*অথবা*

(খ) ভীমক ভাত খুৱাবলৈ গৈ পাৰ্বতীৰ কি অৱস্থা হৈছিল ? বৰ্ণনা কৰাঁ।

৪। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ (যি কোনো এছোৱা) : ৪

(ক) "তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়।"

(খ) "লাগে এটি শক্তি মন্ত্ৰময়
কেন্দ্ৰীভূত প্ৰাণৰ পৰশ,
সম্মোহন লীলাময় আনন্দ উজান
ইঙ্গিত সৰস।"

৫। তলৰ যি কোনো এটি কবিতাৰ মূলভাৱ লিখাঁ : ৬

(ক) শিৱৰ কৃষিকৰ্ম

(খ) প্ৰিয়তমাৰ চিঠি

(গ) পানেশৈ

৬। চমু উত্তৰ লিখাঁ (যি কোনো তিনিটা) : ১×৩=৩

(ক) 'শংকৰদেৱৰ বাল্যকাল' পাঠটো ক'ৰ পৰা অনা হৈছে?

(খ) ভল্টা কি?

(গ) হেগেল কোন দেশৰ দাৰ্শনিক?

(ঘ) 'অসমীয়া নাট্য সাহিত্য' কাৰ ৰচনা?

৭। (ক) মুচলিনীৰ সম্পূৰ্ণ নাম কি? ২

*অথবা*

(খ) কোনখন গ্ৰন্থৰ বাবে আৰু কিমান চনত সত্যেন্দ্ৰনাথ শৰ্মাই অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিছিল?

৮। (ক) চমু টোকা লিখাঁ—'কথা গুৰু চৰিত'। ৪

*অথবা*

(খ) ব্যাখ্যা কৰাঁ—"চৰিত্ৰৰ বলৰ লগত শাৰীৰিক বলৰ সম্পৰ্ক আছে"।

৯। (ক) ব্যাখ্যা কৰাঁ— "আপুনিও পূজিবা, লোকে মাতিলেও কৰিবা, চাউল-কানি হ'ব"। ৬

*অথবা*

(খ) ৰস বুলিলে কি বুজা? ই কেইপ্ৰকাৰৰ আৰু কি কি? চমুকৈ আলোচনা কৰাঁ।

১০। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ (যি কোনো চাৰিটা) : ১×৪=৪

(ক) টিকেন্দ্ৰজিতৰ পিতৃ মহাৰাজৰ নাম কি আছিল?

(খ) 'টিকেন্দ্ৰজিৎ' নাটকখন কেতিয়া প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ 'আকাশবাণী' কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত হৈছিল?

(গ) *The History of Manipur* গ্ৰন্থৰ ৰচক কোন?

(ঘ) কি কাহিনীৰ আলমত 'টিকেন্দ্ৰজিৎ' নাটক ৰচিত হৈছিল?

(ঙ) "ৰাজনীতি বৰ জটিল। ধৰ্মনীতিৰ লগত ইয়াক সানপোতক কৰিব নালাগে।" কাৰ উক্তি?

১১। (ক) "বিদেশী ইংৰাজৰ পদলেহন কাৰ্য্যময়ো কেতিয়াও সমৰ্থন নকৰোঁ।" কোনে, কাক কৈছিল? ২

*অথবা*

(খ) "তুমি মৰিব নোৱাৰা যুৱৰাজ! মণিপুৰৰ নাৰীয়ে তোমাক মৰিবলৈ নিদিয়ে।" কোনে, কাক কৈছিল?

১২। তলত দিয়া যি কোনো দুটা চৰিত্ৰৰ বিষয়ে চমুকৈ লিখাঁ : ৪×২=৮

টিকেন্দ্ৰজিৎ; গ্ৰিমউদ চাহাব; চন্দ্ৰলেখা; জেল অধ্যক্ষ।

১৩। (ক) "মণিপুৰৰ ঢেঁকীয়াপতীয়া বাঘে স্ব-ইচ্ছাৰে ইংৰাজৰ জালত মূৰ সুমুৱাই দিবলগীয়া হৈছে বাইদেউ!" 'টিকেন্দ্ৰজিৎ' নাটকৰ পঞ্চম অংকৰ প্ৰথম দৰ্শনত মধুমঞ্জৰীয়ে চন্দ্ৰলেখাক কি পৰিস্থিতিৰ বাবে এই কথা ক'বলগীয়া হৈছিল? ৬

*অথবা*

(খ) "বীৰ তুমি টিকেন্দ্ৰজিৎ? মণিপুৰৰ গৌৰৱ—মণিপুৰৰ উজ্জ্বল ৰত্ন তুমি। শত্ৰুৰ শোণিতেৰে হাত ৰাঙলী কৰাটো তোমাৰ কৰ্তব্য নহয়নে?" উক্তিটোৰ আলমত ঠঙাল জেনেৰেলৰ স্বদেশপ্ৰেম সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

১৪। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখাঁ (যি কোনো তিনিটা) : ২×৩=৬

(ক) "... আমাৰ শাহুআয়ে আনৰ হাতৰ ৰন্ধা-বঢ়া খাই ভাল নাপায়।" কোনে, কাক কৈছিল?

(খ) "ইমান দিনৰ মাৰ পবিত্ৰ পাকঘৰটো তুমি মা নোহোৱা-হোৱাৰ লগে লগে চুৱা কৰিবলৈহে ওলালানে নবৌ?" কোনে, কাক কৈছিল?

(গ) " 'লজেঞ্চ্ লজেঞ্চ্'—সি হাতখন মেলি কাগজত বান্ধি অনা লজেঞ্চ্খিনি আগবঢ়াই দিলে।" কোনে, কালৈ লজেঞ্চ্ আগবঢ়াই দিছিল?

(ঘ) চৈয়দ আব্দুল মালিকে ভাৰত চৰকাৰৰ পৰা পোৱা দুটা বঁটাৰ নাম লিখাঁ।

১৫। (ক) ঠাকুৰে ৰন্ধাবঢ়া কৰিবলৈ লোৱাৰ পিছত মঞ্জুলাৰ কেনেধৰণৰ সুবিধা আৰু অসুবিধা হৈছিল, বুজাই লিখাঁ। ৪

*অথবা*

(খ) 'যীশুখৃষ্টৰ ছবি' গল্পটোত গোৰা চিপাহীজনৰ পিতৃ-হৃদয়ৰ স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰাঁ।

১৬। চমু উত্তৰ লিখাঁ : ২×৩=৬

(ক) "কবিতা হ'ল ছন্দোবদ্ধ ৰচনা।" কাৰ উক্তি? "শব্দাৰ্থৌ সহিতৌ কাব্যম্।" কাৰ উক্তি?

(খ) 'নাট্যশাস্ত্ৰ'ৰ প্ৰণেতা কোন? তেওঁ আগবঢ়োৱা নাটক সম্পৰ্কীয় সংজ্ঞাটো কি?

(গ) ৱৰ্ডচৱৰ্থৰ কবিতাৰ সংজ্ঞাটো লিখাঁ।

১৭। চমু টোকা লিখাঁ (যি কোনো এটা) : ৪

(ক) কবিতাৰ স্বৰূপ

(খ) নাটকৰ স্বৰূপ

১৮। (ক) ছন্দস্পন্দ বুলিলে কি বুজা? ২

*অথবা*

(খ) পৰ্ব বুলিলে কি বুজা?

১৯। উদাহৰণসহ চমু টোকা লিখাঁ : ৪×২=৮

(ক) মাত্ৰা

(খ) যতি

২০। (ক) 'জোনাকী'ৰ প্ৰথম সম্পাদক কোন? ১

*অথবা*

(খ) 'লিতিকাই'ৰ ৰচক কোন?

২১। (ক) 'প্ৰতিমা' সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাই লেখা উক্তিটো কি আছিল? ২

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা-পুথিখনৰ নাম কি আৰু এই কবিতা-পুথিখন কেতিয়া প্ৰকাশ পাইছিল?

২২। লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন বুৰঞ্জীমূলক নাটকৰ নাম লিখাঁ। ২

২৩। হেমচন্দ্ৰ গোস্বামীৰ কবিতা *অথবা* ৰঘুনাথ চৌধাৰীৰ কবিতা সম্পৰ্কে চমুকৈ লিখাঁ। ৪

২৪। জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক *অথবা* পদ্মনাথ গোহাঞিবৰুৱাৰ নাটক সম্পৰ্কে চমুকৈ লিখাঁ। ৬

***